# 2024

## ASSAMESE

( Regular Elective )

Paper : ASM–RE–6016/6026

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

Paper : ASM–RE–6016

( ছন্দ আৰু অলংকাৰ )

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) অসমীয়া কবিতাত ব্যৱহৃত আটাইতকৈ সৰু ছন্দটোৰ নাম কি ?

(খ) সংযুক্তাক্ষৰৰ পূৰ্বৰ অক্ষৰৰ মাত্ৰাকাল কিমান ?

(গ) ছন্দৰ সৌষ্ঠৱ কিহৰ ওপৰত নিৰ্ভৰ কৰে ?

(ঘ) প্ৰায় সকলো বিহুনামেই কি ছন্দত ৰচিত ?

(ঙ) কোনবিধ ছন্দক দীঘলীয়া দুলড়ী ছন্দ বুলি ক'ব পৰা যায় ?

(চ) "হৃদয়াহ্লাদক যিমান প্ৰকাৰ অৰ্থ হ'ব পাৰে অলংকাৰৰ সংখ্যাও সিমান।" কথাষাৰৰ বক্তা কোন?

(ছ) সাধাৰণ মানুহে নেদেখা অথচ কবিয়ে দেখা সত্য দৰ্শনটোক অলংকাৰ শাস্ত্ৰত কি দৰ্শন বুলি কোৱা হয়?

(জ) "তেওঁৰ মুখখন যেনিবা পদুম।" ইয়াত কি অলংকাৰ প্ৰয়োগ হৈছে?

(ঝ) অসমীয়া সাহিত্যত কোনবিধ শব্দালংকাৰ বেছিকৈ ব্যৱহাৰ হৈছে?

(ঞ) দুটা বা ততোধিক অৰ্থ একেটা শব্দত লগলাগি থকা অলংকাৰবিধৰ নামটো লিখা।

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) অক্ষৰ কাক বোলে?

(খ) 'অলম্' শব্দৰ অৰ্থ দুটা কি কি?

(গ) ঝুমুৰী ছন্দ কেইটা চৰণত সম্পূৰ্ণ হয়? প্ৰত্যেক চৰণত কেইটাকৈ আখৰ থাকে?

(ঘ) "নৰক-বিনাশন কৃষ্ণ।" ইয়াত 'নৰক-বিনাশন' শব্দই দুটা অৰ্থ বহন কৰিছে। অৰ্থ দুটা কি কি?

(ঙ) যমক অলংকাৰৰ দুটা বৈশিষ্ট্য লিখা।

৩। সংজ্ঞা লিখি উদাহৰণসহ বিশ্লেষণ কৰা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) কুসুমমালা ছন্দ

(খ) মিত্ৰাক্ষৰ ছন্দ

(গ) অনুপ্ৰাস অলংকাৰ

(ঘ) পুনৰুক্তবদাভাস

(ঙ) ৰূপক অলংকাৰ

(চ) ব্যাজস্তুতি অলংকাৰ

৪। (ক) ছন্দ বুলিলে কি বুজা? মুক্তক ছন্দৰ বিষয়ে উদাহৰণসহ বহলাই আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) "শব্দৰ বিন্যাস প্ৰকাৰৰ ফলত ওপজা সৌন্দৰ্যই ছন্দ।" কথাষাৰ বিশ্লেষণ কৰি এটি আলোচনা যুগুত কৰা। ১০

৫। (ক) ত্ৰিপদী ছন্দৰীতি বুলিলে কি বুজা? দুলড়ী আৰু ছবি ছন্দৰ বিষয়ে উদাহৰণসহ বহলাই লিখা। ২+৪+৪=১০

*অথবা*

(খ) সমছন্দ বুলিলে কি বুজা? ঝুনা আৰু ঝুমুৰী ছন্দৰ বিষয়ে উদাহৰণসহ বুজাই লিখা। ২+৪+৪=১০

৬। (ক) অলংকাৰ বুলিলে কি বুজা? অলংকাৰৰ শ্ৰেণীবিভাজন কৰি এটি আলোচনা যুগুত কৰা। ২+৮=১০

*অথবা*

(খ) কাব্যত অলংকাৰে কি কি প্ৰয়োজন সাধন কৰে, বহলাই বুজাই লিখা। ১০

৭। (ক) উপমা অলংকাৰৰ সকলো দিশ সামৰি এটি আলোচনা যুগুত কৰা। ১০

*অথবা*

(খ) 'শ্লেষ' আৰু 'ভ্ৰান্তিমান' অলংকাৰৰ বিষয়ে উদাহৰণসহ একোটিকৈ টোকা যুগুত কৰা। ৫+৫=১০

Paper : ASM–RE–6026

( অভিযোজনা )

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) অসমীয়া লোক-কাহিনীৰ অভিযোজনাৰ এটা উদাহৰণ দিয়া।

(খ) মেক্সমুলাৰে জাৰ্মান ভাষালৈ অনুবাদ কৰা সংস্কৃত ভাষাৰ নাটক এখনৰ নাম লিখা।

(গ) 'গঙা চিলনীৰ পাখি'ৰ অভিযোজনাত 'অধ্যয়ন' আৰু 'বিশ্লেষণ'ৰ মাজত কাৰ গুৰুত্ব বেছি?

(ঘ) মাৰ্ক টোৱেইন ৰচিত উপন্যাস এখনৰ নাম লিখা।

(ঙ) অসমীয়া চলচ্চিত্ৰ 'অদাহ্য' কোনখন উপন্যাসৰ অভিযোজনা?

(চ) কোনে পিনাক্কিঅ'ৰ অসমীয়ালৈ অভিযোজনা কৰিছে?

(ছ) সাধুকথাৰ পৰা অভিযোজিত হোৱা এখন অসমীয়া চলচ্চিত্ৰৰ নাম লিখা।

(জ) *Adventure of Huckleberry Finn*ৰ লেখকগৰাকীৰ নাম লিখা।

(ঝ) ড. ভবেন্দ্ৰনাথ শইকীয়াৰ চিনেমালৈ অভিযোজিত হোৱা এখন নাটকৰ নাম লিখা।

(ঞ) অসমীয়া অভিযোজিত চিনেমা 'চিৰাজ' কোনে পৰিচালনা কৰিছিল?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) অভিযোজনা মানে কি, সংজ্ঞা দিয়া।

(খ) একে ঠাল (Genre) মানে কি বুজা?

(গ) অনুবাদ আৰু অভিযোজনাৰ মাজত থকা এটা পাৰ্থক্য লিখা।

(ঘ) 'গঙা চিলনীৰ পাখি' উপন্যাসখনৰ লেখক কোন আৰু মূল চৰিত্ৰটোৰ নাম কি?

(ঙ) 'ৰামায়ণ'ৰ পৰা অভিযোজিত উপন্যাস 'উত্তৰাকাণ্ড'ৰ লেখকগৰাকীৰ নাম কি আৰু 'ৰামায়ণ'ৰ কোন চৰিত্ৰক এই উপন্যাসত প্ৰজ্বলিত কৰিছে?

৩। চমুকৈ উত্তৰ দিয়া (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) অনুবাদ প্ৰক্ৰিয়াত অধ্যয়ন আৰু বিশ্লেষণৰ সম্পৰ্ক বিচাৰ কৰা।

(খ) অভিযোজনাত বিশ্লেষণৰ গুৰুত্ব ব্যাখ্যা কৰা।

(গ) শংকৰদেৱৰ 'কীৰ্ত্তন-ঘোষা'ৰ 'শিশুলীলা'ৰ অভিযোজনাত তুলনাৰ গুৰুত্ব বিচাৰ কৰা।

(ঘ) 'হাকলবেৰী ফিন'ৰ এটি ৰোমাঞ্চকৰ ঘটনাৰ বিষয়ে লিখা।

(ঙ) অনুবাদক আৰু অভিযোজকৰ দৃষ্টিভংগী বিচাৰ কৰা।

(চ) 'গঙা চিলনীৰ পাখি' উপন্যাসখনৰ সতে অভিযোজিত চলচ্চিত্ৰখনিৰ তুলনা কৰা।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) অনুবাদৰ প্ৰকাৰ হিচাবে অভিযোজনাৰ লগত অনুবাদৰ সম্পৰ্ক বিচাৰ কৰা।

(খ) বৈষ্ণৱ যুগত 'মহাভাৰত'ৰ পৰা কৰা যি কোনো এটা অভিযোজনাৰ আভাস দিয়া।

(গ) অভিযোজনাই মূল ৰচনাৰ প্ৰচাৰ আৰু বিকাশত কেনে-ধৰণে সহায় কৰে, ব্যাখ্যা কৰা।

(ঘ) *Adventure of Huckleberry Finn* মূল উপন্যাসখনৰ লগত অসমীয়ালৈ অভিযোজিত উপন্যাস 'হাকলবেৰী ফিনৰ ৰোমাঞ্চকৰ কাহিনী'ৰ মাজত পৰিলক্ষিত হোৱা মিল-অমিলসমূহ আলোচনা কৰা।

(ঙ) একে ঠালৰ আৱৰ্তত কৰা অভিযোজনাৰ সুবিধাসমূহ আলোচনা কৰা।

(চ) পৃথক ঠালৰ অভিযোজনাৰ ক্ষেত্ৰত দেখা পোৱা সুবিধা-অসুবিধা সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(ছ) অনুবাদৰ বিভিন্ন প্ৰকাৰসমূহৰ মাজত অভিযোজনাৰ গুৰুত্ব বেছি কিয়, আলোচনা কৰা।

(জ) তুলনামূলক সাহিত্য অধ্যয়নত অনুবাদ প্ৰক্ৰিয়াৰ সম্পৰ্ক বিচাৰ কৰা।

★★★